অধ্যায় ৩ ঃ বৈদিক সংস্কৃতি

অধ্যায় গাঁথনি

৩.১ উদ্দেশ্য

৩.২ পৰিচয়

৩.৩ প্রাক্ বৈদিক যুগৰ সংস্কৃতি

- ইণ্ডো আর্য্যসকল আৰু তেওঁলোকৰ উৎপত্তি
- ৰাজনৈতিক অনুষ্ঠানসমূহ
- সামাজিক অৱস্থা
- অর্থনৈতিক অৱস্থা
- ধর্মীয় অৱস্থা

৩.৪ পৰৱর্তী বৈদিক যুগৰ সংস্কৃতি

- ৰাজনৈতিক অনুষ্ঠানসমূহ
- সামাজিক অৱস্থা
- অর্থনৈতিক অৱস্থা
- ধর্মীয় অৱস্থা

৩.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৩.৬ অধিক জানিবলৈ

৩.৭ অগ্রগতিৰ খতিয়ান

৩.৮ আৰ্হি প্রশ্ন

৩.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি —

- ইণ্ডো-আর্য্যসকলৰ উৎপত্তি সম্পর্কে ব্যাখ্যা কৰিব পাৰিব,
- প্রাক্ বৈদিক যুগৰ অর্থ-সামাজিক আৰু ধর্মীয় অৱস্থাৰ বিৱৰণ দিব পাৰিব, আৰু
- প্রাক্ বৈদিক সংস্কৃতিৰ পৰা পৰৱর্তী বৈদিক অৱস্থালৈ সাংস্কৃতিক পৰিবর্তনৰ বিষয়ে আলোচনা কৰিব পাৰিব।

৩.২ পৰিচয়

ইয়াৰ আগৰ অধ্যায়ত আমি হৰপ্পা সংস্কৃতিৰ বিষয়ে আলোচনা কৰিছিলো। এই অধ্যায়টিত আমি আন এক সংস্কৃতিৰ বিষয়ে আলোচনা কৰিম যাক বৈদিক সংস্কৃতি বা আর্য্য সংস্কৃতি নামেৰে জনা যায়। বৈদিক সংস্কৃতি হৰপ্পা সংস্কৃতিৰ মাজত বহুতো বৈসাদৃশ্য দেখিবলৈ পোৱা যায়।

বৈদিক সংস্কৃতি হৰপ্পা সংস্কৃতিৰ পিছত আৱির্ভাৱ হৈছিল। বৈদিক সংস্কৃতিক দুটা ভাগত ভাগ কৰিব পৰা যায়। এটা হ'ল আদি বা ঋক্ বৈদিক সংস্কৃতি আৰু আনটো হ'ল পৰৱর্তী বৈদিক যুগ। এই সময়ছোৱা এক সুৰুচিসম্পন্ন, সমৃদ্ধ ভাষা-সংস্কৃত ভাষাৰ বিকাশৰ কালৰূপে চিহ্নিত। ইণ্ডো-আর্যসকল চাৰি বেদ ক্রমে ঋক্, সাম, যযুৰ আৰু অথর্ব বেদৰ ৰচক ৰূপে প্রসিদ্ধ আৰু সেই ৰচনাসমূহেই সমসাময়িক সংস্কৃতিক প্রভাৱিত কৰিছে। সমসাময়িক যুগ বিভাজনতো এই ৰচনাসমূহৰ প্রভাৱ অপৰিসীম। ঋক্ বেদ ৰচনাৰ সময়ছোৱাক প্রাক্ বৈদিক যুগ বোলা হয়। মন কৰিবলগীয়া যে ঋক বেদখনেই ভাৰতত ৰচিত হোৱা সর্বপ্রথম গ্রন্থ। অন্যহাতে পৰৱর্তী তিনিওখন বেদ শেষ বৈদিক যুগত ৰচিত হৈছিল।

৩.৩ প্রাক্ বৈদিক যুগৰ সংস্কৃতি

বৈদিক সংস্কৃতি আর্য্য লোকসকলৰ দ্বাৰা আৰম্ভ হোৱা এক সংস্কৃতি। আর্য্যসকল মধ্য এচিয়াৰ পৰা ভাৰতলৈ প্রব্রজন কৰিছিল। আর্য্যসকলৰ প্রবজন এটা একক ঘটনা নাছিল। ইয়ে বহু শতিকা আৰু বহু জনজাতিক সাঙুৰি লয়। আর্য্যসকলে প্রায় ১৫০০ খ্রীঃপূঃ পোন প্রথমবাৰৰ বাবে ভাৰতবর্ষত পদার্পণ কৰিছিল। তেওঁলোকৰ আগমনৰ সঠিক সময় নির্ধাৰণৰ বাবে প্রত্নতাত্বিক অৱশেষবোৰৰ অভাৱ দেখা যায়। বৈদিক যুগৰ বিষয়ে জানিবলৈ প্রধানকৈ সাহিত্যিক সমলৰ ওপৰত নির্ভৰ কৰিবলগীয়া হয়। ঋক্বেদয়েই হ'ল একমাত্র সমল যিয়ে আদি বৈদিক যুগৰ ভৌগলিক বিস্তৃতিৰ ধাৰণা দিয়ে। আদি বৈদিক যুগৰ লোকসকল আছিল প্রধানকৈ অঘৰী। আদি বৈদিক যুগৰ সময়সীমা আছিল ১৫০০ খ্রীঃপূঃৰ পৰা ১০০০ খ্রীঃপূঃ।

- **ইণ্ডো-আর্য্যসকল আৰু তেওঁলোকৰ উৎপত্তি**

  এই নতুন সংস্কৃতিৰ বা সভ্যতাৰ লগত জড়িত থকা লোকসকলক ইণ্ডো-আর্য্য বুলি জনা যায়। তেওঁলোক মধ্য এচিয়াৰ পৰা ভাৰতবর্ষলৈ আহিছিল। তেওঁলোকৰ প্রব্রজন এটা সময়তেই যে হৈছিল তেনেকুৱা নহয়। আর্য্যসকলৰ প্রধান ধর্মগ্রন্থ আছিল বেদ। মেক্স মুলাৰ নামৰ প্রসিদ্ধ জার্মান পণ্ডিতজনে 'আর্য' এক বৈজ্ঞানিক ভাষা হিচাপে স্বীকৃতি দিছে। ই কোনো জাতিৰ নামৰ ক্ষেত্রত প্রযোজ্য নহয়। সেয়েহে আর্য্য আছিল বিভিন্ন জনজাতিসকলৰ দ্বাৰা গঠিত এক ভাষিক গোট। বেদ চাৰিখন- ঋক্বেদ, যর্জুৰ বেদ, সামবেদ আৰু অথর্ব বেদ। ঋক্বেদ হ'ল আটাইতকৈ পুৰণি বেদ। ইণ্ডো - আর্যসকলে বেদৰ অনুসৰণৰ জৰিয়তে নিজৰ সংস্কৃতি গঢ় দিছিল। সেয়েহে, এই সংস্কৃতিক বৈদিক সংস্কৃতি বা সভ্যতা বুলিও জনা যায়।

  ঋক্ বৈদিক স্তোত্র (hymns) বোৰ ৰচনাৰ সময়ত, আর্য্য সংস্কৃতি প্রধানকৈ প্রতিফলিত হৈছিল পূৱে যমুনা, পশ্চিমত চুটুদ্রী (চুটলেজ্) আৰু সৰস্বতী নদীৰ ওপৰৰ ভাগ অঞ্চলত বিস্তৃত হৈ আছিল। আর্য্যসকলৰ সম্প্রসাৰণ কিছুমান নদী, পর্বতৰ স্থিতি, জনজাতি আৰু ৰাজ্যবোৰৰ পৰা জানিব পাৰি। আর্য্যসকলৰ দ্বাৰা অধিকৃত অধিকাংশ

সিন্ধু বা সাতখন নদীৰ ভূমি বা সপ্ত সিন্ধু নামেৰে জনাজাত। এই নদী ঘঘৰ-হকৰা নদীৰ শুষ্ক ধাৰৰ হয় বুলি চিনাক্ত কৰা হৈছে।



জানি থোৱা ভাল

আর্য্যসকল, যি এটা ভাষিক গোট উত্তৰ ভাৰত, মধ্যভাৰত আৰু ইউৰোপ জুৰি আছিল। তেওঁলোকে সংস্কৃত ভাষাত বৈদিক সাহিত্য ৰচনা কৰিছিল। বৈদিক সাহিত্যই বেদ, ব্রাহ্মণ, আৰণ্যক, উপনিষদ আৰু মহাকাব্যক সাঙুৰি লয়। বেদ শব্দৰ উদ্ভৱ হৈছে 'বিদ' শব্দৰ পৰা যাৰ অর্থ হ'ল জ্ঞান যিহেতু বেদত অন্তর্ভুক্ত হৈ আছে ইণ্ডো-আর্যৰ প্রাচীন জ্ঞান। এই জ্ঞানৰ দৈবিক উৎপত্তি বুলি বিশ্বাস কৰিছিল। বেদৰ অন্য এক নাম হ'ল **শ্রুতি।**

- **ৰাজনৈতিক অনুষ্ঠানসমূহ**

ঋক বৈদিক লোকসকল আছিল অর্ধ-অঘৰী পশুপালনকাৰী।

ৰাজপদ আছিল সেইসময়ৰ সচৰাচৰ প্রচলিত শাসন ব্যৱস্থা। আদি বৈদিক যুগৰ ৰাজ্যবোৰ (states) সাধাৰণতে আকাৰত সৰু আছিল। বৈদিক ৰজাসকলে বিশেষ ক্ষমতা আৰু মর্য্যাদা লাভ কৰিছিল। তেওঁ জনজাতিয় যুদ্ধবোৰৰ নেতা আছিল। ৰজাৰ আসন আছিল বংশানুক্রমিক। ৰজাজন আছিল তেওঁৰ নিজৰ জাতিৰ ৰক্ষক। নিজৰ প্রজাৰ জীৱন আৰু সম্পত্তি ৰক্ষাৰ দায়িত্ব ৰজাজনৰ আছিল। যুদ্ধত পাৰদর্শিতা আছিল ৰজা হোৱাৰ মুখ্য মাপকাঠি। তাৰ বিনিময়ত তেওঁ প্রজাসকলৰ পৰা বালি নামৰ কৰ সংগ্রহ কৰিছিল। বালি সাধাৰণতে উৎপন্ন বস্তুবোৰৰ পৰা সংগ্রহ কৰা হৈছিল। আদি বৈদিক যুগত ৰাজন জনক প্রজা, বিশ (vish) বা জন (jana)ৰ দ্বাৰা মনোনীত কৰা হৈছিল। ৰজাক প্রশাসনিক দিশত সহায় কৰাৰ বাবে পুৰোহিত, সেনানী, গ্রামিনী আৰু গুপ্তচৰ (spasa) সকল আছিল। ঋক্বেদত- জাতি বা গোত্রভিত্তিক সভা কিছুমান যেনে সভা, সমিতি, বিদথা (Vidhatha), গণ আদিৰ উল্লেখ আছে। এই সভাবোৰে সেনা সম্পর্কীয় আৰু ধর্মীয় দুইধৰণৰ কাম কাজেই কৰিছিল। ৰজাসকলে গুৰুত্বপূর্ণ ৰাজনৈতিক কাম-কাজবোৰত সভা আৰু সমিতিবোৰৰ পৰা দিহা-পৰামর্শ লৈছিল। এনেদৰে, সভা আৰু সমিতিবোৰে ৰজাৰ স্বেচ্ছাচাৰী ক্ষমতাক নিয়ন্ত্রণ কৰিছিল। সভা সম্ভৱতঃ বয়োজ্যেষ্ঠলোকসকলৰ নির্বাচিত এক সমুদায় আছিল। ই ব্রাহ্মণ আৰু উচ্চবর্গৰ গোটবোৰৰ দ্বাৰা গঠিত আছিল। সমিতি আছিল জনসাধাৰণৰ দ্বাৰা গঠিত এক সভা য'ত সকলো লোকে ভাগ ল'ব পাৰিছিল। সমিতিৰ আটাইতকৈ গুৰুত্বপূর্ণ কার্য্যটোৱে আছিল ৰজা নির্বাচন কৰা। সভাৰ অধ্যক্ষ (speaker) জনক সভাপতি আৰু ইয়াৰ সদস্যসকলক সভ্য বোলা হৈছিল।



জানি থোৱা ভাল

ঋক্ বৈদিক যুগৰ ৰাজ্যৰ ধাৰণাটো আধুনিক ৰাজ্যৰ ধাৰণাটোৰ পৰা পৃথক আছিল। ঋক্ বৈদিক যুগৰ ৰাজ্যবোৰ আছিল মূলতঃ জনজাতীয় (Tribal) প্ৰকৃতিৰ। এই জনজাতীয় ৰাজ্যবোৰ (Tribal States) ৰ এখনৰ লগত আনখনৰ সঘনাই যুদ্ধ হৈছিল। যুদ্ধৰ কাৰণ আছিল পশু আৰু ভূমি বিবাদ। এই যুদ্ধবোৰক 'গাবিশ্স্থি' (Gavishthi) নামেৰে জনা গৈছিল।

- **সামাজিক অৱস্থা**

পৰিয়াল বা কুল আছিল ৰাজনৈতিক সংগঠনৰ মূল ভেঁটি। গৃহপতি বা কুলপতি আছিল পৰিয়ালৰ প্ৰধান। ঋক্ বৈদিক যুগৰ প্ৰাথমিক সামাজিক গোটটোৱে আছিল পৰিয়াল। সমাজখন আছিল পিতৃ প্ৰধান। পিতৃপ্ৰধান পৰিয়ালত পিতৃজন আছিল পৰিয়ালৰ মুৰব্বী। ঋক্ বৈদিক যুগৰ এই মুৰব্বীসকলক গৃহপতি বা কুলপতি বোলা হৈছিল। ৰাইজে প্ৰাথমিক ভাৱে নিজৰ জাতিৰ প্ৰতি আনুগত্যশীল আছিল।

ঋক্ বৈদিক সমাজত নাৰীয়ে এক সন্মানীয় স্থান লাভ কৰিছিল। ছোৱালী বিলাকৰ বাবেও উপনয়ন (initiation) সম্পাদন কৰা হৈছিল। যদিও সমাজখন পিতৃপ্ৰধান আছিল, ছোৱালী সন্তানবোৰক তুচ্ছজ্ঞান কৰা হোৱা নাছিল। ছোৱালীকো শিক্ষাদান কৰা হৈছিল। মহিলাসকলে বেদ পঢ়িছিল। আমি এনে বহু কেইগৰাকী মহিলাৰ কথা পাওঁ, যিয়ে বৈদিক স্তোত্ৰ ৰচনা কৰিছিল। আমি কিছুমান বিদুষী মহিলা যেনে ঘোষা, আণালা, বিশ্বডাৰা আদিৰ নাম জানিব পাৰো। ঋক্ বৈদিক যুগত বিবাহ পদ্ধতিৰ প্ৰচলন আছিল। কিন্তু বাল্যবিবাহৰ কোনো উদাহৰণ পোৱা নাযায়। ঋক্ বৈদিক যুগত বিধৱা বিবাহৰ প্ৰচলন আছিল। সতীদাহ প্ৰথা আৰু পৰ্দা প্ৰথাৰ সেই সময়ত প্ৰচলন নাছিল। পত্নীয়ে নিজৰ পৰিয়ালত সন্মানীয় স্থান লাভ কৰিছিল। তেওঁলোকে নিজৰ স্বামীৰ লগত ধৰ্মীয় উৎসৱ-পাৰ্বনত ভাগ ল'ব পাৰিছিল আৰু সেইবাবে তেওঁলোকক অৰ্ধাঙ্গিনী বুলি কোৱা হৈছিল।

আৰ্য্যসকল আছিল অঘৰী। সেয়েহে তেওঁলোকে কাঠ আৰু বাঁহেৰে প্ৰাথমিক পৰ্য্যায়ৰ ঘৰ সাজিছিল। সেই সময়ৰ লোকসকল নিৰামিষ আৰু আমিষহাৰী আছিল। ঘেঁহু আৰু গম প্ৰধান শস্য আছিল। ধান পিছলৈহে আৱিষ্কৃত হৈছিল। তেওঁলোকে গাখীৰ, মাখন, দৈ, বিভিন্ন ধৰণৰ ফল, কুঁহিয়াৰ আদিও খাইছিল। মাছ, চৰাই, ছাগলী আৰু ষাঁড়গৰু আদি আমিষ আহাৰৰ অন্তৰ্ভুক্ত আছিল। প্ৰাক্ বৈদিক যুগৰ লোকসকলে সোম আৰু সুৰা নামৰ দুবিধ নিচাযুক্ত দ্ৰব্য ব্যৱহাৰ কৰিছিল।

প্ৰাক্ বৈদিক যুগৰ সাজ-পোচাক তিনিটা অংশত বিভক্ত আছিল- নিভি নামৰ অন্তৰ্পোচাক, পৰিধানা নামৰ পোচাক আৰু ঢিলা চোলাক নিচিনা দ্ৰাপি। কাপোৰবোৰ

কপাহ, মৃগচাল আৰু ঊণেৰে তৈয়াৰী আছিল। সোণৰ অলংকাৰৰ ব্যৱহাৰ সাধাৰণ আছিল। বিশেষকৈ উৎসৱ পাৰ্বনত তেওঁলোকে সোণৰ অলংকাৰ ব্যৱহাৰ কৰিছিল। পুৰুষ-মহিলা উভয়ে পাগুৰি পিন্ধিছিল।

ঋক্ বৈদিক যুগৰ লোকসকলে বিনোদন আৰু আনন্দদায়ক কামবোৰ ভাল পাইছিল। নাচ, চিকাৰ, ৰথ চলোৱা তেওঁলোকৰ প্ৰিয় অৱসৰ বিনোদন আছিল। পাশাখেল আছিল সম্ভৱত সেইসময়ৰ আটাইতকৈ প্ৰচলিত ঘৰৰ ভিতৰত খেলা খেল।

আদি বৈদিক সমাজখন চাৰিটা শ্ৰেণীত বিভক্ত আছিল। এই শ্ৰেণীবোৰ আছিল- ব্ৰাহ্মণ, ক্ষত্ৰিয়, বৈশ্য আৰু শূদ্ৰ। তথাপি, আদি বৈদিক যুগৰ সমাজখন বহুত বেছি কঠোৰ নাছিল। সেই সময়ত জাতি ভেদ প্ৰথা দৃঢ় নাছিল। বেলেগ জাতিবোৰৰ মাজত বিবাহ আৰু একেলগে খাদ্য গ্ৰহণ কৰাটো সাধাৰণ বৈশিষ্ট্য আছিল। বৰ্ণ ব্যৱস্থাটো জন্মগত নাছিল, কামৰ ওপৰত নিৰ্ভৰ কৰিহে বৰ্ণ বিভাজন কৰা হৈছিল।

- **অৰ্থনৈতিক অৱস্থা**

প্ৰাক্ বৈদিক যুগত আৰ্য্যসকলৰ অৰ্থনৈতিক অৱস্থা গৰখীয়া বিষয়ক আছিল। পোহনীয়া জন্তুৰ সংখ্যাৰ ওপৰত লোকসকলৰ সম্পত্তি জোখা হৈছিল। পশুধন আছিল সকলো সম্পত্তিৰ ভিতৰতয়েই মুখ্য সম্পত্তি। সম্পত্তিশীল লোকসকলক গোমাট বোলা হৈছিল। পশুধনয়েই আছিল জাতি সমূহৰ মাজত হোৱা যুদ্ধৰ সচৰাচৰ কাৰক। গাইগৰু আছিল বাৰ্তাৰ ব্যৱস্থাৰ মুখ্য মাধ্যম। তেওঁলোকে ঘৰচীয়া কৰা জন্তুবোৰ আছিল- গৰু, ঘোঁৰা, ভেঁড়া, কুকুৰ আৰু ছাগলী ।

কৃষি কাৰ্য্যৰ ওপৰতো গুৰুত্ব আৰোপ কৰা হৈছিল। ষাঁড়গৰু আৰু বলদৰ সহায়ত কৃষিকাৰ্য্য চলোৱা হৈছিল। হালবোৱা মাটিক উৰ্বৰা বা ক্ষেত্ৰ বোলা হৈছিল। নাঙলৰ মুখৰ চোকা অংশটো খেতিৰ বাবে ব্যৱহৃত হৈছিল। আদি আৰ্য্যসকলৰ ঋতুৰ সম্যক জ্ঞান আছিল। ঋক্ বৈদিক লোকসকলে মাত্ৰ এবিধ শস্যৰ খেতি কৰিছিল যাক যৱ বুলি জনা যায়। কৃষি প্ৰধানকৈ জলসিঞ্চনতকৈ বেছি বৰষুণৰ ওপৰতে নিৰ্ভৰশীল আছিল।

বাঢ়ৈসকল ঋক্বৈদিক সমাজৰ গুৰুত্বপূৰ্ণ অংশ আছিল। বাঢ়ৈসকলে খেল আৰু যুদ্ধৰ বাবে ৰথ তৈয়াৰ কৰিছিল। ইয়াৰোপৰি ধাতু নিৰ্মাতা, কুমাৰ শিল্পী আৰু ধাতুৰ কাম কৰা লোক আদিৰো উল্লেখ আছে। বোৱা-কটা ৰ কাম সাধাৰণতে পুৰুষে কৰিছিল। ঋক্ বৈদিক যুগত বিনিময় প্ৰথাৰ প্ৰচলন আছিল।

ঋক্বৈদিক লোকসকলে সম্ভৱতঃ আভ্যন্তৰীণ বাণিজ্য কৰিছিল। ঋক্বৈদিক যুগৰ সাগৰীয় বাণিজ্যৰ প্ৰচলনক লৈ মতানৈক্য আছে। সেয়েহে, আমি ক'ব নোৱাৰো যে সেই সময়ত লোকসকলে সাগৰীয় বাণিজ্য কৰিছিল।

- **ধৰ্মীয় অৱস্থা**

আৰ্য্যসকল প্ৰকৃতিৰ বিভিন্ন ঘটনাৱলীৰ দ্বাৰা প্ৰভাৱিত হৈছিল। আদি আৰ্য্য

সকলে প্রকৃতিৰ প্রতিটো পার্শ্ব ক্রিয়াক পূজা কৰিছিল। আর্য্যসকলৰ বহুতো উপাস্য দেৱ-দেৱী আছিল। তেওঁলোকে দেৱীসকলক তিনিটা ভাগত ভাগ কৰিছিল। ভাগবোৰ আছিল- পৃথিৱী ভগৱান যাৰ অর্ন্তগত আছিল পৃথিৱী, সোম আৰু অগ্নি আদি। নদীবোৰ প্রথম গোটৰ অর্ন্তগত আছিল। পাৰিপার্শ্বিক ভগৱান যেনে- ইন্দ্র, ৰুদ্র, বায়ু আদি আছিল দ্বিতীয়টো গোটৰ অর্ন্তগত, তৃতীয় গোট স্বর্গীয় ভগৱান সকল আছিল সূর্য্য, বিষ্ণু, পুষাণ, মিত্র ঊষা , আদিত্য। আদি বৈদিক যুগত কোনো মন্দিৰ বা কোনো দেৱ-দেৱীৰ মূর্তি পোৱা হোৱা নাই।

ঋক্ বৈদিক ধর্মত দেৱতাৰ প্রভুত্ব বেছি আছিল। কিন্তু তেওঁলোকে কেইগৰাকীমান দেৱীকো পূজা কৰিছিল। আটাইতকৈ গুৰুত্বপূর্ণ দেৱী কেইগৰাকী আছিল-ঊষা, অদিতি, ৰাত্রি, ইলা আৰু অৰণ্যানী। ঋক্ বৈদিক যুগৰ আটাইতকৈ গুৰুত্বপূর্ণ দৈব্য জন আছিল পুৰন্দৰ (দুর্গ ধ্বংসকর্তা)। দ্বিতীয় স্থানত আছিল অগ্নিদেৱ। তৃতীয় স্থানত দখল কৰি আছিল বৰুণ দেৱতাই। তেওঁ আছিল জাগতিক সূত্রৰ নিয়ন্ত্রক। সোমক গছ-লতাৰ লগতে নিচাযুক্ত পানীয়ৰ ঈশ্বৰ বুলি গণ্য কৰা হৈছিল। ৰুদ্র, বিষ্ণু, পৃথিৱী আৰু মাৰুত আছিল গৌণ দেৱ-দেৱী। তেওঁলোকে ঋক্ বৈদিক যুগৰ ধার্মিক অৱস্থাত দ্বিতীয় পর্য্যায়ত স্থান লাভ কৰিছিল।

দেৱ-দেৱীসকলৰ পূজা-অর্চনা প্রার্থনা আৰু যজ্ঞৰে প্রধানকৈ আগবঢ়োৱা হৈছিল। ঋক্বৈদিক লোকসকলে আধ্যত্মিক উৎকর্ষ সাধনৰ বাবে দেৱ-দেৱী পূজা কৰা নাছিল। তেওঁলোকে প্রধানকৈ প্রজা, পশু, আহাৰ আৰু স্বাস্থ্য আদিৰ বাবে পূজা আগবঢ়াইছিল।



অগ্রগতিৰ নিৰীক্ষণ

তলৰ প্রশ্নবোৰৰ উত্তৰ দিয়া —

প্রশ্ন নং ১ ঃ ঋক্বৈদিক যুগৰ সাধাৰণতে কি শাসনৰ প্রচলন আছিল?

_____

প্রশ্ন নং ২ ঃ ঋক্ বৈদিক যুগৰ দুখন সভাৰ নাম লিখা।

_____

প্রশ্ন নং ৩ ঃ ঋক্ বৈদিক যুগৰ পৰিয়ালৰ মুৰব্বী কোন আছিল?

_____

প্রশ্ন নং ৪ ঃ ঋক্ বৈদিক যুগৰ মুখ্য বৃত্তি কি আছিল?

_____

প্রশ্ন নং ৫ ঃ আর্য্যসকলৰ দুটা নিচাযুক্ত পানীয়ৰ নাম লিখা।

_____

৩.৪ পৰৱৰ্তী বৈদিক সংস্কৃতি

পৰৱৰ্তী বৈদিক যুগত আৰ্যসকলৰ জীৱন শৈলীৰ পৰিবৰ্তন ঘটিছিল। পৰৱৰ্তী বৈদিক যুগ ১০০০ পৰা ৬০০ খ্ৰীষ্টপূৰ্বলৈ বিয়পি আছিল। পৰৱৰ্তী বৈদিক যুগত তিনিখন বেদ- যৰ্জুৰ বেদ, সাম বেদ, অথৰ্ব বেদ, ব্ৰাহ্মণ আৰু কেইখনমান আদি উপনিষদ ৰচিত হৈছিল। আৰ্য্যসকল গংগা উপত্যকাৰ বেছিসংখ্যক অঞ্চলৰ লগত পৰিচিত হৈ পৰিছিল। ক্ৰমান্বয়ে তেওঁলোকে গংগা উপত্যকাত বসতি স্থাপন কৰিবলৈ লৈছিল। আৰ্যসকলে পঞ্জাৱৰপৰা গংগা যমুনা নদীৰ মাজৰ অংশ প্ৰায় বৰ্তমানৰ পশ্চিম উত্তৰ প্ৰদেশ অঞ্চললৈ গমন কৰিবলৈ ধৰিছিল।

- **ৰাজনৈতিক প্ৰতিষ্ঠানসমূহ**

  পৰৱৰ্তী বৈদিক যুগত ৰাজনৈতিক গঠনত কিছুমান গুৰুত্বপূৰ্ণ পৰিবৰ্তন ঘটিছিল। ৰাজ পদ (Kingship)ৰ ধাৰণা এই কালছোৱাতে উদ্ভৱ হৈছিল। যুদ্ধৰ সময়ত এজন দলপতিৰ প্ৰয়োজনৰ পৰাই ৰাজশাসনৰ ধাৰণাটো আহিছিল। ৰজাজন প্ৰজাসকলে মনোনীত কৰিছিল। ৰজাৰ কৰ্তব্য আছিল পশুৰ সলনি পথাৱবোৰ ৰক্ষা কৰা। বালি কৰ নামৰ কৰবিধ ঋক্ বৈদিক যুগত স্বেচ্চাই প্ৰদান কৰা কৰ আছিল যদিও পৰৱৰ্তী বৈদিক যুগত এই কৰ বিধক বাধ্যতামূলক কৰা হৈছিল। পৰৱৰ্তী বৈদিক যুগত সাধাৰণ সভাবোৰৰ গুৰুত্ব কমি গৈছিল। ৰজাঘৰীয়াৰ গুৰুত্ব বাঢ়িবলৈ লৈছিল। পৰৱৰ্তী বৈদিক যুগত বিদথা সম্পূৰ্ণভাৱে লুপ্ত হৈছিল। সভা আৰু সমিতিৰ প্ৰচলন আছিল যদিও সেইবোৰৰ বৈশিষ্ট্যবোৰ সলনি হ'ব লৈছিল। সভা আৰু সমিতিবোৰ দলপতি আৰু ধনী বিষয়াবোৰৰ কৰ্তৃত্ব বাঢ়িবলৈ ধৰিছিল। মহিলা সকলক সভাত যোগদানৰ অনুমতি দিয়া হোৱা নাছিল।

  এই সময়ৰ আন এক উল্লেখযোগ্য প্ৰগতি আছিল জনপদৰ উত্থান। ৰাষ্ট্ৰ শব্দটো পোন প্ৰথমবাৰৰ বাবে পৰৱৰ্তী বৈদিক যুগত আৰ্ৱিভাব হৈছিল। পৰৱৰ্তী বৈদিক যুগৰ পুথিবোৰত ৰতনিনচ্ নামৰ ৰজাজনৰ মন্ত্ৰীসকলৰ বিষয়ে উল্লেখ আছে। এই ৰতনিনচ্ সকল আছিল ৰজা ভঙা-পতাৰ ক্ষমতা থকা লোক। অথৰ্ব বেদত এই লোকসকলকৰ বিষয়ে উল্লেখ আছে। সুত (বীণ বৈৰাগী) ৰথাকাৰ (ৰথ নিৰ্মাতা), কৰ্মকাৰ (শিল্পকলাৰ লগত জড়িত লোক), পুৰোহিত (পাদ্ৰী), মহিষী (ৰাণী), পাৰিব্ৰিক্ত (ৰাণী), ৰবতা (ৰাণী) সংগ্ৰহিত্ৰী (কোষাধ্যক্ষ), অক্ষৱাপা (পাক্ষাখেলৰ তত্বৱধায়ক), সেনানী (সেনাধ্যক্ষ), গ্ৰামিণী (গাওঁৰ মুৰব্বী), ভাগাদুঘা (ৰাজহ সংগ্ৰহক) আদি। পৰৱৰ্তী বৈদিক যুগত কৰ সংগ্ৰহ আৰু কৰদান এক সাধাৰণ পৰিঘটনালৈ ৰূপান্তৰিত হৈছিল। এই যুগত ৰজাই ৰাজসূয়া, বাজপেয়া, আৰু অশ্বমেধ যজ্ঞ সমাপন কৰিছিল।

- **সামাজিক অৱস্থা**

  পৰৱৰ্তী বৈদিক যুগত জাতিভেদ প্ৰথা দৃঢ় হৈ পৰিছিল। পৰৱৰ্তী বৈদিক সমাজখন চাৰিটা বৰ্ণত ভাগ হৈ পৰিছিল- ব্ৰাহ্মণ, ক্ষত্ৰিয়, বৈশ্য আৰু শূদ্ৰ। যজ্ঞৰ ক্ৰমবৰ্ধিত প্ৰচলনৰ ফলত সমাজত পুৰোহিত সকলৰ শক্তি বাঢ়িবলৈ ধৰে। ক্ষত্ৰিয় সকলে সমাজত দ্বিতীয় স্থান দখল কৰিছিল। বৈশ্য সকল আছিল সাধাৰণ লোক আৰু তেওঁলোকে খেতি,

পশুপালন আদি কামত নিয়োজিত হৈছিল। শূদ্র সকলৰ কর্তব্য আছিল এই তিনিটা বর্ণৰ বাবে কাম কৰা। জাতিবেদ প্রথা বংশনুক্রমিক অধিকাৰ হৈ পৰিছিল। গোত্রৰ ধাৰণা পোন প্রথমবাৰৰ বাবে এই সময়ছোৱাত প্রকাশ ঘটিছিল। গোত্রই একে পূর্বপুৰুষৰ অনুচৰ বিল চিহ্নিত কৰে।

ব্রাহ্মণসকলৰহে যে অকল শিক্ষাৰ অধিকাৰ আছিল তেনেকুৱা নহয়। ক্ষত্রিয়সকলো শিক্ষিত লোক আছিল। শিক্ষাৰ বিষয়বোৰ আছিল- বেদ, ইতিহাস আৰু পূৰাণ, ব্যাকৰণ, নীতিশিক্ষা, তর্কশাস্ত্র ,নক্ষত্র বিদ্যা। উপনিষদৰ আধ্যাত্মিক জ্ঞানৰ ওপৰত বহুত গুৰুত্ব আৰোপ কৰা হৈছিল।

নাৰীৰ স্থান সমাজত অৱনমন হ'বলৈ ধৰিছিল। চতাপথ্ ব্রাহ্মণৰ মতে পত্নীগৰাকী পতিৰ অর্ধাংশ আছিল। তথাপি, দৰাচলতে সেই সময়ছোৱাত সমাজত নাৰীৰ মর্য্যাদা ঋক্‌বৈদিক যুগৰ নাৰীতকৈ কমিবলৈ ধৰিছিল। কন্যা সন্তানৰ জন্ম অসন্তোষজনক আছিল। অন্যহাতে, পুত্র সন্তানক পৰিয়ালৰ ৰক্ষক হিচাপে গণ্য কৰা হৈছিল।

- **অর্থনৈতিক অৱস্থা**

কৃষি আছিল পৰৱর্তী বৈদিক লোকসকলৰ প্রধান বৃত্তি। হালবোৱা, শস্য সিঁচা, শস্য কটা আদি কৃর্ষিকার্যৰ অর্ন্তভুক্ত আছিল। গৰুৰ গোৱৰ সাৰ হিচাপে ব্যৱহৃত হৈছিল। পৰৱর্তী বৈদিক যুগৰ শস্যবোৰ আছিল ধান, যৱ, উৰহী-লেচেৰা আদি। সেইসময়ৰ লোকসকলে কৃষিকার্য্যৰ বাবে ম'হ ঘৰচীয়া কৰিছিল। প্রধান খাদ্য আছিল ধান আৰু ঘেঁহু। কৃষিকার্যৰ বর্ধিত গুৰুত্বই আগৰ কালচোৱাৰ পশুপালনভিত্তিক অর্থনীতিক তল পেলাবলৈ ধৰিছিল।

কৃষিৰ উপৰিও পৰৱর্তী বৈদিক যুগৰ লোকসকলে বিভিন্ন শিল্প কার্য্যত নিয়োজিত আছিল। মিস্ত্রী, বোৱনী, চামবাৰ কার্য্য, কুমাৰ শিল্প, অলংকাৰ তৈয়াৰ কৰা আদি , সেইসময়ৰ, গুৰুত্বপূর্ণ শিল্প কার্য্য আছিল। পৰৱর্তী যুগত লোৰ ব্যৱহাৰ হ'বলৈ ধৰিছিল। যদিও ই আছিল সীমিত। পৰৱর্তী বৈদিক পুথিসমূহত সাগৰ আৰু সাগৰীয় মাত্রাবোৰৰ বিষয়ে উল্লেখ আছে। আৰু ইয়ে ব্যৱসায় বাণিজ্যৰ সম্প্রসাৰণৰ ইংগিত দিয়ে। পৰৱর্তী বৈদিক যুগত আন্তঃ আৰু বহিঃ দুই ধৰণৰে বাণিজ্যৰ প্রচলন হ'বলৈ ধৰিছিল। নিয়মিত মুদ্রা ব্যৱস্থাৰ অনুপস্থিতি সেই সময়ত দেখা গৈছিল। নিষ্ক নামৰ সোণৰ টুকুৰা এটাক জোখ মাখৰ মাপকাঠি হিচাপে ব্যৱহাৰ কৰিছিল।

অনুশীলনী ৩.১

ঋক্‌বৈদিক যুগ আৰু পৰৱর্তী বৈদিক যুগৰ মাজৰ পার্থক্যবোৰ লিখাঃ

.....

.....

.....

.....

- **ধর্মীয় অৱস্থা**

ঋক্‌বৈদিক যুগৰ গুৰুত্বপূৰ্ণ দেৱতা ইন্দ্ৰ আৰু অগ্নিৰ আগৰ কালৰতকৈ গুৰুত্ব কমিবলৈ ধৰে। প্ৰজাপতি (সৃজনকৰ্তা), ই সৰ্বোচ্চ স্থান দখল কৰিবলৈ লৈছিল। ৰুদ্ৰ, পশুৰ দেৱতা আৰু বিষ্ণু, ত্ৰাণকৰ্তা হিচাপে পৰৱৰ্তী বৈদিক যুগত প্ৰখ্যাত হ'বলৈ আৰম্ভ কৰিছিল। পুষাণ, যাক পশু পালনৰ দেৱতা বুলি ধৰা হৈছিল, তেওঁক শূদ্ৰ সকলৰ দেৱতা ৰূপে মানিবলৈ লৈছিল। পূজাৰ পদ্ধতি পৰিবৰ্তন হ'বলৈ লৈছিল আৰু প্ৰাৰ্থনাতকৈ যজ্ঞৰ গুৰুত্ব বাঢ়িবলৈ ধৰিছিল।

পৰৱৰ্তী বৈদিক ধৰ্মৰ যজ্ঞ সমূহে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছিল। ঋক্‌বৈদিক যজ্ঞবোৰ আছিল সৰল। কিন্তু পৰৱৰ্তী যুগৰ যজ্ঞসমূহ বেছি জটিল, আনুষ্ঠানিকতাপূৰ্ণ আৰু ব্যয়বহুল হৈ পৰিছিল। তাৰোপৰি, ব্ৰাহ্মণ সকল তাৎক্ষণিকভাৱে স্বৰ্গীয় দেৱতা আৰু পাৰ্থিৰ জীৱবোৰৰ মাজত মধ্যস্থতাকাৰীৰূপে আগৰাঢ়ি আহিবলৈ ধৰিছিল।

বেদৰ মতে পৰৱৰ্তী বৈদিক লোকসকল নদীৰ উপাসক আছিল। সৰস্বতীক সকলো নদীৰে মাতৃ হিচাপে গণ্য কৰা হৈছিল। উপনিষদৰ ধ্যান-ধাৰণা উৎসৰ্গৰ সলনি আত্মাকেন্দ্ৰিকহে আছিল। আত্মাবোৰ পূৰ্বজন্মৰ কৰ্ম অনুসৰি জন্মলাভ কৰে বুলি ভবা হৈছিল। বিস্তৃত ৰীতি নীতি আৰু পুৰোহিতসকলৰ অহংকাৰী মনোবৃত্তিৰ প্ৰতিক্ৰিয়া হিচাপে পৰৱৰ্তী বৈদিক যুগৰ ধৰ্মত এক দাৰ্শনিক ভাৱধাৰাৰ বিকাশ ঘটিছিল। উপনিষদ বিলাকে আত্মা (অৰ্ন্তআত্মা) আৰু ব্ৰহ্ম (সৰ্বোচ্চ সৃজনকৰ্তা) ৰ উপদেশ দিছিল। আত্মাৰ স্থানান্তৰ, কৰ্ম আৰু মোক্ষ আদি ধাৰণাবোৰ পৰৱৰ্তী বৈদিক যুগত আবিৰ্ভাৱ হৈছিল। ধৰ্মৰ ক্ষেত্ৰত অন্য এক প্ৰগতি হ'ল বৌদ্ধ আৰু জৈন ধৰ্মৰ উৎপত্তি। খ্ৰী.পূ. ষষ্ঠ শতিকাত বৌদ্ধ আৰু জৈন ধৰ্ম এক উল্লেখযোগ্য ধৰ্ম হিচাপে পৰিগণিত হৈছিল। কিন্তু জৈন ধৰ্মৰ মতবাদসমূহ খ্ৰী.পূৰ্ব. সপ্তম শতিকাত তীৰ্থংকৰ নামৰ ভাগ এটাৰ প্ৰচাৰৰ দ্বাৰাহে জনসাধাৰণৰ মাজত বিস্তাৰিত হৈছিল। বৰ্ধমান মহাবীৰে জৈন ধৰ্মক নিজস্ব ৰূপ দিয়াৰ বাবে তেওঁক জৈন ধৰ্মৰ প্ৰৱৰ্তক বুলি কোৱা হয়। প্ৰথমাৱস্থাত মহাবীৰৰ শিকনিসমূহ কথিতৰূপে প্ৰচাৰিত হৈ আহিছিল। খ্ৰী.পূ. তৃতীয় শতিকাত এই মতবোৰ সংগ্ৰহ কৰি লিখিত ৰূপ দিয়া হৈছিল। শেষৰ অংশৰ লিখিতৰূপে দিয়া হৈছিল খ্ৰী.পূ. পঞ্চম শতিকাত। জৈন ধৰ্মৰ পাঁচটা মতবাদ আছে। সেইকেইটা হ'ল ঃ

- কেতিয়াও হিংসা নকৰিবা।
- কেতিয়াও মিছা নক'বা।
- চুৰ নকৰিবা।
- ভোগ-বিলাসৰ প্ৰতি অনাসক্ত।
- ব্ৰহ্মচৰ্য

গৌতম বুদ্ধ বৰ্ধমান মহাবীৰৰ সমসাময়িক আছিল। বুদ্ধদেৱ বাস্তৱিকভাৱে এজন সংস্কাৰক আছিল। তেওঁ জাতিভেদ প্ৰথা আৰু ঈশ্বৰৰ অস্তিত্বৰ বিৰোধিতা কৰিছিল। কিন্তু তেওঁ

আত্মালেখীয়া বিষয়সমূহত মত প্রদান কৰা নাছিল। তেওঁ সাধাৰণ জীৱন আৰু জীৱনৰ লগত জড়িত বিভিন্ন সমস্যাবোৰৰ বিষয়ে কৈছিল। তেওঁ বিশ্লেষণ কৰিছিল যে সমাজ তথা প্রত্যেকজন মানুহৰ চাৰিটা প্রধান সমস্যাই আছিল সমগ্র দুখ-দুর্দশাৰ মূল। এই সমস্যাৰ কাৰণকেইটাক মহান সত্য বুলি কোৱা হয়। এইকেইটা হ'ল—

ক) এই বিশ্ব দুখ-কষ্টৰে ভৰপূৰ।

খ) সমগ্র দুখ-কষ্টৰ মূল হ'ল মানুহৰ আশা-আকাংক্ষা।

গ) যদি আশা-আকাংক্ষা জয় কৰিব পৰা যায়, তেতিয়া নির্বাণ লাভ কৰিব পৰা যাব।

ঘ) আঠটা মূলমন্ত্র অনুকৰণ কৰিলে নির্বাণ লাভ কৰিব পৰা যায়।

জীৱন আৰু মৃত্যুৰ চক্রক ধর্মচক্র বোলা হয়। সুস্থিৰ আৰু সৎ জীৱন যাপনৰ কাৰণে প্রয়োজনীয় নীতি হ'ল অষ্টমার্গ। এই অষ্টমার্গকেইটা হ'ল—

- সৎ ধাৰণা
- সৎ সিদ্ধান্ত
- সৎ বাক্য
- সৎ আচৰণ
- সৎবৃত্তি
- সৎ চেষ্টা
- সৎ স্মৃতি
- সৎ ধ্যান



অগ্রগতিৰ নিৰীক্ষণ

তলৰ প্রশ্নবোৰৰ উত্তৰ দিয়ক —

প্রশ্ন নং ৬ ঃ কর্ম কি?

প্রশ্ন নং ৭ ঃ পৰৱর্তী বৈদিক যুগৰ জোখ- মাখৰ মাপকাঠি কি আছিল?

প্রশ্ন নং ৮ ঃ ৰথাকাৰ সকল কোন আছিল?

প্রশ্ন নং ৯ ঃ পৰৱর্তী বৈদিক যুগৰ তামৰ বস্তু বনোৱা লোকসকলক কি নামেৰে জনা গৈছিল?



৩.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি জানিব পাৰিলে যে-

- ঋক্ বৈদিক সমাজখনৰ মূলতে আছিল- পিতৃপ্রধান। নাৰীসকলে এক সন্মানজনক স্থান লাভ কৰিছিল। কিন্তু সমাজৰ ভাগবোৰ কঠোৰ নাছিল।
- অর্থনীতি আছিল প্রধানকৈ পশুধনৰ লগত জড়িত। কৃষি, ব্যৱসায় আৰু বাণিজ্য অতি কম পৰিমাণে কৰা হৈছিল। ঋক্বৈদিক যুগৰ লোকসকল প্রকৃতিৰ উপাসক আছিল। আদি বৈদিক যুগৰ ধর্মত বহুতো দেৱ-দেৱী আছিল। দেৱতা সকলে উচ্চতৰ স্থান দখল কৰিছিল। কিন্তু দেৱী সকলো সেই সময়ত উপস্য আছিল।
- পৰৱর্তী বৈদিক যুগৰ জীৱন ঋক্বৈদিক যুগতকৈ বেছি স্থায়ী আছিল। ডাঙৰ ৰাজ্যবোৰ উত্থান হ'বলৈ আৰম্ভ কৰিছিল। ৰজাৰ ক্ষমতা বাঢ়িছিল। পৰৱর্তী বৈদিক যুগত জাতিভেদ প্রথা কঠোৰভাৱে মানিবলৈ লোৱা হৈছিল।
- পৰৱর্তী বৈদিক যুগত সমাজত নাৰীৰ স্থান অৱনমিত হ'বলৈ ধৰিছিল। ব্যৱসায়- বাণিজ্যৰ সম্প্রসাৰণ সেই যুগৰ অন্যতম বৈশিষ্ট্য।
- ঋক্বৈদিক দেৱতাসকলৰ স্থান পৰৱর্তী বৈদিক যুগত নতুন কিছুমান দেৱতা যেনে- ৰুদ্র, বিষ্ণু আদিয়ে ল'বলৈ ধৰিছিল। দার্শনিক ধাৰণা সমূহৰ বিকাশ ঘটিবলৈ ধৰিছিল।



৩.৬ আধিক জানিবলৈ

(১) Jha, D.N. (1977). *Ancient India: An Introductary Outline*. New Delhi, India : People's Publishing House.

(২) Mazumdar, R.C., Raychoudhuri, H.C. and Datta. K. (1986). H.C Datta, K. *An Anvanced History of India*. N. Delhi, India : Macmillan

(৩) Ray Choudhury, H.C. (1972). *Political History of Ancient India*. Kolkata, India : University of Calcutta.



৩.৭ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ জনজাতি (Tribal)

২ নং প্রশ্নৰ উত্তৰ ঃ সভা আৰু সমিতি।

৩ নং প্রশ্নৰ উত্তৰ ঃ কুলপতি।

৪ নং প্রশ্নৰ উত্তৰ ঃ পশুপালন।

৫ নং প্রশ্নৰ উত্তৰ ঃ সোম আৰু সুৰা।

৬ নং প্রশ্নৰ উত্তৰ ঃ দার্শনিক তত্ত্ব।

৭ নং প্রশ্নৰ উত্তৰ ঃ নিষ্ক।

৮ নং প্রশ্নৰ উত্তৰ ঃ ৰথনির্মাতা।

৯ নং প্রশ্নৰ উত্তৰ ঃ হিৰণ্যক্।



৩.৯ আৰ্হি প্রশ্ন

(ক) বস্তুধর্মী প্রশ্ন (প্রতিটো প্রশ্নৰে ৫০ টা শব্দত উত্তৰ দিয়ক)

প্রশ্ন নং ১ ঃ ৰাজন কোন?

প্রশ্ন নং ২ ঃ বৈদিক যুগৰ ৰাজনৈতিক সভাবোৰৰ নাম লিখক।

প্রশ্ন নং ৩ ঃ ঋক্ বৈদিক যুগৰ বিদুষী মহিলা কেইজনীমানৰ নাম লিখক।

প্রশ্ন নং ৪ ঃ বিনিময় প্রথা কি?

(খ) চমু প্রশ্ন (প্রতিটো প্রশ্নৰে ১৫০ টা শব্দত উত্তৰ দিয়ক)

প্রশ্ন নং ১ ঃ ঋক্বৈদিক সমাজৰ প্রধান বৈশিষ্ট্যবোৰ কি আছিল?

প্রশ্ন নং ২ ঃ ঋক্বৈদিক যুগৰ ৰাজনৈতিক অৱস্থাৰ আলোচনা কৰক।

প্রশ্ন নং ৩ ঃ পৰৱর্তী বৈদিক যুগৰ অর্থনীতি আৰু ঋক্ বৈদিক যুগৰ অর্থনীতিৰ পার্থক্য কেনেধৰণৰ আছিল উল্লেখ কৰক।

(গ) ৰচনাধর্মী প্রশ্ন (প্রতিটো প্রশ্নৰে ৫০০ টা শব্দত উত্তৰ দিয়ক)

প্রশ্ন নং ১ ঃ বৈদিকযুগৰ ৰাজনৈতিক গঠনৰ ওপৰত আলোচনা কৰক।

প্রশ্ন নং ২ ঃ বৈদিক যুগৰ অর্থনৈতিক অৱস্থাৰ বিভিন্ন দিশবোৰ আলোচনা কৰক।

প্রশ্ন নং ৩ ঃ বৈদিক যুগৰ সমাজ ব্যৱস্থাৰ বিষয়ে আলোচনা কৰক।

প্রশ্ন নং ৪ ঃ বৈদিক সংস্কৃতিৰ ধর্মীয় অৱস্থাৰ বিষয়ে আলোচনা কৰক।

*** ***** ***